**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 31-OCT-2025
**Time :** 1340 Hrs

***Assamese Midday Bulletin***
***Headlines***
---------------------

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে চৰ্দাৰ বল্লভ ভাই পেটেলৰ ডেৰশ বছৰীয়া জয়ন্তী উপলক্ষে ৰাষ্ট্ৰীয় একতা দিৱসত আজি গুজৰাটৰ একতা নগৰৰ পৰা দেশক নেতৃত্ব দিয়ে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি সন্ধিয়া নতুন দিল্লীৰ ৰোহিনীত আয়োজিত আন্তঃৰাষ্ট্ৰীয় আৰ্য শীৰ্ষ সন্মিলন-২০২৫ত অংশগ্ৰহণ কৰিব।

৩। ভাৰতীয় জনতা পাৰ্টি আৰু জনতা দল ইউনাইটেড নেতৃত্বাধীন ৰাষ্ট্ৰীয় গণতান্ত্ৰিক মৰ্চাই আজি পাটনাত বিহাৰ বিধানসভা নিৰ্বাচন ২০২৫ৰ নিৰ্বাচনী ইস্তাহাৰ মুকলি কৰে।

**আৰু**

৪। অষ্ট্ৰেলিয়াৰ মেলবৰ্ণ ক্ৰিকেট গ্ৰাউণ্ডত আজি ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজৰ পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেল আজি অনুষ্ঠিত হ'ব।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে চৰ্দাৰ বল্লভ ভাই পেটেলৰ ডেৰশ বছৰীয়া জয়ন্তী উপলক্ষে ৰাষ্ট্ৰীয় একতা দিৱসত আজি গুজৰাটৰ একতা নগৰৰ পৰা দেশক নেতৃত্ব দিয়ে। শ্ৰীমোদীয়ে একতাৰ প্ৰতিমূৰ্তিত পুষ্পাঞ্জলি অৰ্পণেৰে দিনটোৰ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অনুষ্ঠানত একতা দিৱসৰ শপত বাক্য পাঠ কৰোৱায়। এই বছৰৰ ৰাষ্ট্ৰীয় একতা দিৱসত দেশৰ সুৰক্ষা বাহিনীসমূহৰ শক্তি, নিয়মানুৱৰ্তিতা আৰু বীৰত্বক প্ৰতিফলিত কৰা আকৰ্ষণীয় কুচকাৱাজ প্ৰধানমন্ত্ৰী মোদীয়ে প্ৰত্যক্ষ কৰে। কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনী, সীমান্ত সুৰক্ষা বাহিনী, কেন্দ্ৰীয় ঔদ্যোগিক সুৰক্ষা বাহিনী, ভাৰত-তিব্বত সীমান্ত আৰক্ষী, সশস্ত্ৰ সীমা বল আৰু অসম, ত্ৰিপুৰা, ওড়িশা, ছত্তিশগড়, মধ্যপ্ৰদেশ, মহাৰাষ্ট্ৰ, পঞ্জাৱ, জম্মু-কাশ্মীৰ, কেৰেলা আৰু অন্ধ্ৰপ্ৰদেশৰ ৰাজ্যিক আৰক্ষী বাহিনীসমূহে কুচকাৱাজত অংশগ্ৰহণ কৰে। এইবাৰৰ কুছকাৱাজত সীমান্ত সুৰক্ষা বাহিনী বিশেষকৈ ভাৰতীয় জাতৰ কুকুৰ ৰামপুৰ আৰু মুধল হাউণ্ডছে আত্মনিৰ্ভৰ ভাৰতক প্ৰতিফলিত কৰে। অনৈক্যৰ মাজত ঐক্য বিষয়বস্তুৰে ৰাষ্ট্ৰীয় সুৰক্ষা গাৰ্ড আৰু ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনীৰ লগতে ১০ খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ প্ৰতীকপট প্ৰদৰ্শন কৰে।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নাগৰিকসকলক একত্ৰিত হৈ দেশৰ প্ৰগতিৰ বাবে নিজকে উৎসৰ্গা কৰি বিকশিত ভাৰতৰ সপোন পূৰণৰ বাবে আহ্বান জনায়। চৰ্দাৰ বল্লভভাই পেটেলৰ ডেৰশ বছৰীয়া জয়ন্তী উপলক্ষে গুজৰাটৰ একতা নগৰত ৰাষ্ট্ৰীয় একতা দিৱস উপলক্ষে অনুষ্ঠিত বিশাল সমাৰেশত ভাষণ দি প্ৰধানমন্ত্ৰীয়ে কয়, যে ২০১৪ চনৰ পৰাই নক্সালবাদ আৰু মাওবাদী কাৰ্যকলাপ নিৰ্মূলৰ বাবে চৰকাৰ দৃঢ় প্ৰতিজ্ঞ হৈ আছে। ২০১৪ চনৰ আগতে সমগ্ৰ দেশৰ প্ৰায় এশখন জিলা মাওবাদী কাৰ্যকলাপৰ দ্বাৰা প্ৰভাৱিত হৈছিল যদিও আজি সেই সংখ্যা মাত্ৰ এঘাৰখনলৈ হ্ৰাস পাইছে। তেওঁ কয় যে স্বাধীনতাৰ পাছত চৰ্দাৰ পেটেলে 'এক ভাৰত, শ্ৰেষ্ঠ ভাৰত'ৰ দৃষ্টিভংগীক মূৰ্ত কৰি ৫৫০খনতকৈও অধিক দেশীয় ৰাজ্যক একত্ৰিত কৰি অসম্ভৱ যেন লগা কামটো সম্ভৱ কৰি তুলিছিল।

ভাৰতৰ চহকী আধ্যাত্মিক আৰু সাংস্কৃতিক ঐতিহ্য সন্দৰ্ভত আলোকপাত কৰি শ্ৰী মোদীয়ে কয় যে দ্বাদশ জ্যোতিৰ্লিংগ, শক্তিপীঠ, আৰু চাৰ ধামসমূহে জাতিৰ জীৱনী শক্তিক মূৰ্ত কৰি তুলিছে তথা দেশৰ জনসাধাৰণক বিশ্বাসেৰে বান্ধি ৰাখিছে। তেওঁ দেশৰ ভাষিক বিচিত্ৰতাক প্ৰশংসা কৰি কয়,যে এই বিচিত্ৰতাই হৈছে দেশৰ অন্যতম শ্ৰেষ্ঠ শক্তি । প্ৰধানমন্ত্ৰীগৰাকীয়ে পক্ষপাতিত্বহীন উন্নয়ন আৰু দৰিদ্ৰতা নিৰাময়ৰ ক্ষেত্ৰত চৰকাৰৰ সফলতা সন্দৰ্ভত আলোকপাত কৰি বিগত দশকত প্ৰায় ২৫ কোটি লোকক দৰিদ্ৰতাৰ কবলৰ পৰা মুক্ত কৰাৰ ক্ষেত্ৰত চৰকাৰ সক্ষম হৈছে বুলি উল্লেখ কৰে । শ্ৰীমোডীয়ে প্ৰতিজন নাগৰিকক একতাক ৰাষ্ট্ৰীয় শক্তিৰ মন্ত্ৰ হিচাপে গঢ়ি তুলিবলৈ আৰু চৰ্দাৰ পেটেলৰ দৃষ্টিভংগীক স্মৰণ কৰি এখন শক্তিশালী,উন্নত আৰু ঐক্যবদ্ধ ভাৰত গঢ়াৰ দিশে একেলগে কাম কৰিবলৈ আহ্বান জনায়।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি সন্ধিয়া নতুন দিল্লীৰ ৰোহিনীত আয়োজিত আন্তঃৰাষ্ট্ৰীয় আৰ্য শীৰ্ষ সন্মিলন-২০২৫ত অংশগ্ৰহণ কৰিব। মহৰ্ষি দয়ানন্দ সৰস্বতীৰ ২০০ বছৰীয়া জয়ন্তী আৰু আৰ্য সমাজৰ সেৱাৰ ১৫০ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে আয়োজন কৰা জ্ঞানজ্যোতি মহোৎসৱৰ অংশহিচাপে এই সন্মিলনৰ আয়োজন কৰা হৈছে। শ্ৰীমোদীয়ে এই সন্মিলনত জনসাধাৰণক উদ্দেশ্যি ভাষণ দিব। সন্মিলনত দেশ-বিদেশৰ আৰ্য সমাজৰ গোটসমূহৰ প্ৰতিনিধিবৰ্গই ভাগ ল'ব। সন্মিলনৰ লগত সংগতি ৰাখি **সেৱাৰ স্বৰ্ণিল ডেৰশ বছৰ** শীৰ্ষক এখন প্ৰদৰ্শনী অনুষ্ঠিত হ'ব। এই প্ৰদৰ্শনীত শিক্ষা, সামাজিক সংস্কাৰ আৰু আধ্যাত্মিক উত্থানৰ ক্ষেত্ৰত আৰ্য সমাজৰ অৱদানৰ মাধ্যমেৰে সংস্থাটোৰ পৰিৱৰ্তনকাৰী যাত্ৰাৰ বিষয়ে আলোকপাত কৰা হ'ব।

০০০০০০

ভাৰতীয় জনতা পাৰ্টী আৰু জনতা দল ইউনাইটেড নেতৃত্বাধীন ৰাষ্ট্ৰীয় গণতান্ত্ৰিক মৰ্চাই আজি পাটনাত বিহাৰ বিধানসভা নিৰ্বাচন ২০২৫ৰ নিৰ্বাচনী ইস্তাহাৰ মুকলি কৰে। এই ইস্তাহাৰত যুৱপ্ৰজন্ম, নিয়োগ, দক্ষতা বিকাশ, কৃষক, পিছপৰা শ্ৰেণী, দলিত আৰু মহিলা সবলীকৰণৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। অনাগত পাঁচটা বছৰত ৰাজ্যখনত ১ কোটি চৰকাৰী চাকৰি তথা নিয়োগৰ সুবিধা প্ৰদান কৰা হ'ব। শাসনাধিষ্ঠিত চৰকাৰে অৰ্থনৈতিক সবলীকৰণৰ জৰিয়তে ১ কোটি মহিলাক লাখপতি দিদি কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে। ভাৰতীয় জনতা পাৰ্টীৰ ৰাষ্ট্ৰীয় সভাপতি জগত প্ৰকাশ নাড্ডাৰ লগতে নিৰ্বাচনত অৱতীৰ্ণ ৰাষ্ট্ৰীয় গণতান্ত্ৰিক মৰ্চাৰ অধীনৰ আন পাঁচটা ৰাজনৈতিক দলে যুটীয়াভাৱে এই ইস্তাহাৰ প্ৰকাশ কৰে। জনতা দল ইউনাইটেডৰ ৰাষ্ট্ৰীয় সভাপতি তথা মুখ্যমন্ত্ৰী নীতিশ কুমাৰ, ভাৰতীয় জনতা পাৰ্টীৰ বিহাৰৰ নিৰ্বাচনৰ দায়িত্বত থকা ধৰ্মেন্দ্ৰ প্ৰধান, হিন্দুস্তানী আৱাম মৰ্চা পেট্ৰনৰ জিতন ৰাম মাঝি, এল জে পি ৰামবিলাসৰ সভাপতি চিৰাগ পাছোৱান, ৰাষ্ট্ৰীয় লোক মৰ্চাৰ সভাপতি উপেন্দ্ৰ কুশৱাহা, জনতা দল ইউনাইটেডৰ কাৰ্যকৰী সভাপতি সঞ্জয় ঝা, বিজেপিৰ ৰাজ্যিক সভাপতি ড০ দিলীপ জয়ছৱাল আৰু আন ভালেমান শীৰ্ষ নেতা অনুষ্ঠানত উপস্থিত থাকে। সংবাদ মাধ্যমৰ আগত বিজেপিৰ নেতা তথা উপ-মুখ্যমন্ত্ৰী সম্ৰাট চৌধাৰীয়ে কয় যে এই ইস্তাহাৰে বিহাৰৰ জনসাধাৰণৰ প্ৰতি ৰাষ্ট্ৰীয় গণতান্ত্ৰিক মৰ্চাৰ সংকল্প পত্ৰক প্ৰতিফলিত কৰে। তেওঁ কয় যে পঞ্চামৃত নিশ্চয়তাৰ অধীনত যোগ্য বাসগৃহৰ প্ৰতিটো পৰিয়ালক ১২৫ ইউনিট বিনামূলীয়া বিজুলী যোগান ধৰা হ'ব আৰু ৫ লাখ টকা পৰ্যন্ত চিকিৎসা সাহায্য প্ৰদান কৰা হ'ব। ইস্তাহাৰত দৰিদ্ৰ তথা সামাজিকভাৱে পিছপৰা লোকৰ বাবে ৫০ লাখ নতুন পকীঘৰ নিৰ্মাণৰ প্ৰতিশ্ৰুতি দিয়া হৈছে। ৰাষ্ট্ৰীয় গণতান্ত্ৰিক মৰ্চাই ৰাজ্যখনৰ কৃষকক ন্যূনতম সমৰ্থন মূল্য দিব বুলি প্ৰতিশ্ৰুতি দিছে। শ্ৰীচৌধাৰীয়ে লগতে কয় যে কিষাণ সন্মান নিধি আঁচনিৰ অধীনত কৃষকসকলে বাৰ্ষিক ৯ হাজাৰ টকা লাভ কৰিব। বৰ্তমানতকৈ এই সাহায্যৰ পৰিমাণ ৩ হাজাৰ টকা বৃদ্ধি কৰা হৈছে। প্ৰতিখন জিলাতে বৃহৎ দক্ষতা কেন্দ্ৰ স্থাপন কৰা হ'ব আৰু ৰাজ্যখনত ১০টা নতুন ঔদ্যোগিক ক্ষেত্ৰ স্থাপন কৰা হ'ব। ৰাজ্যখনৰ ঔদ্যোগিক বিকাশ আৰু নিয়োগৰ সুবিধাৰ প্ৰতি লক্ষ্য

ৰাখি প্ৰতিৰক্ষা কৰিড'ৰ আৰু ছেমিকণ্ডাক্টৰ প্ৰকল্প স্থাপন কৰা হ'ব বুলি উপ-মুখ্যমন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

০০০০০০

জল শক্তি মন্ত্ৰালয়ৰ খোৱাপানী আৰু অনাময় বিভাগে জল জীৱন মিছনৰ অধীনত গ্ৰামাঞ্চলৰ পানী যোগান বৃদ্ধি আৰু উৎসৰ বহনক্ষমতাৰ নিশ্চয়তা কৰাৰ বাবে জিলাসমূহৰ স্থানীয় প্ৰশাসন সবলীকৰণ কৰাৰ বাবে **দ্বিতীয় জিলা আয়ুক্ত পেয় জল সম্বাদ**ৰ ৰাষ্ট্ৰীয় আলোচনা অনুষ্ঠিত কৰিছে। জলশক্তি মন্ত্ৰালয়ে জানিবলৈ দিছে যে ৰাষ্ট্ৰীয় জল জীৱন মিছনৰ মিছন সঞ্চালক আৰু অতিৰিক্ত সচিবে ভিডিঅ' কনফাৰেন্সিংযোগে এই আলোচনাক সম্বোধন কৰে। জিলা দণ্ডাধীশ, মিছন সঞ্চালক, ৰাজ্য তথা কেন্দ্ৰীয় শাসিত অঞ্চলৰ জ্যেষ্ঠ বিষয়াকে ধৰি সমগ্ৰ দেশৰ ৮০০গৰাকী প্ৰতিনিধিয়ে এই আলোচনাত অংশ লয়।

০০০০০০

আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগে আয়োজন কৰা ষষ্ঠ গোলাপ শইকীয়া সোঁৱৰণী বাতৰি পৰিৱেশন প্ৰতিযোগিতা ২০২৫ৰ পুৰস্কাৰসমূহ আজি প্ৰদান কৰা হ'ব। আকাশবাণী গুৱাহাটীৰ সন্মিলন কক্ষত দিনৰ ২ বজাত বঁটা বিতৰণি অনুষ্ঠানৰ আয়োজন কৰা হৈছে। প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰ বিজয়ী গুৱাহাটীৰ অসম জাতীয় বিদালয়ৰ নিষ্ঠা বৰগোহাঁই, দ্বিতীয় পুৰস্কাৰ বিজয়ী গহপুৰৰ নিউ স্কলাৰ্ছ একাডেমীৰ দিব্যা আত্ৰেয়, তৃতীয় পুৰস্কাৰ বিজয়ী যোৰহাটৰ পীড়াকটাৰ মহেশ্বৰ বৰকটকী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অন্বেষা ফুকন আৰু কটন বিশ্ববিদ্যালয়ৰ ৰোহিত গাওঁখোৱাক এই অনুষ্ঠানত বঁটা প্ৰদান কৰা হ'ব।

প্ৰতিযোগিতাত বিজয়ীসকলৰ সৈতে অন্তৰংগ আলাপেৰে কাইলৈ নিশা ৮ বাজি ২ মিনিটত দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। তেওঁলোকৰ সৈতে কথা পাতিব আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰে।

০০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী দক্ষতা পদক ২০২৫ বৰ্ষৰ বাবে দেশৰ বিভিন্ন ৰাজ্য, কেন্দ্ৰীয় শাসিত অঞ্চল, কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনী, কেন্দ্ৰীয় আৰক্ষী সংগঠনৰ এহেজাৰ ৪৬৬ জন বিষয়া তথা জোৱানক প্ৰদান কৰা হৈছে। গৃহ পৰিক্ৰমা মন্ত্ৰালয়ে জনোৱা অনুসৰি,বিশেষ অভিযান, তদন্ত, চোৰাংচোৱা আৰু ফৰেনছিক বিজ্ঞান - এই চাৰিটা ক্ষেত্ৰত এই বঁটাসমূহ প্ৰদান কৰা হয়। গৃহ পৰিক্ৰমা মন্ত্ৰালয়ৰ ৱেবছাইটত এই বঁটাপ্ৰাপকৰ তালিকা উপলব্ধ। উল্লেখযোগ্য যে চৰ্দাৰ বল্লভভাই পেটেলৰ জন্ম বাৰ্ষিকী উপলক্ষে প্ৰতি বছৰে ৩১ অক্টোবৰত এই বঁটা ঘোষণা কৰা হয়।

০০০০০০

অষ্ট্ৰেলিয়াৰ মেলবৰ্ণ ক্ৰিকেট গ্ৰাউণ্ডত আজি ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজৰ পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেল আজি অনুষ্ঠিত হৈছে। ভাৰতীয় সময় অনুসৰি খেলখন ১ বাজি ৪৫ মিনিটৰ পৰা আৰম্ভ হৈছে। টছত জিকি অষ্ট্ৰেলিয়াই প্ৰথমে বলিং কৰাৰ সিদ্ধান্ত লৈছে।

প্ৰথমখন টি-২০ খেল বৰষুণৰ বাবে পলমকৈ আৰম্ভ হোৱাত ১৮ অভাৰলৈ খেলখন সীমিত কৰা হৈছিল। খেলখনত ভাৰতে ১০ অভাৰত এটা উইকেট হেৰুৱাই ৯৭ ৰাণ সংগ্ৰহ কৰাৰ সময়ত পুনৰ বৰষুণ হোৱাত খেলখন বাতিল কৰা হৈছিল।

উল্লেখযোগ্য যে দেশ দুখনৰ মাজত অনুষ্ঠিত তিনিখন এদিনীয়া ক্ৰিকেট প্ৰতিযোগিতাত ২-১ ৰ ব্যৱধানত অষ্ট্ৰেলিয়াই শৃংখলাটো দখল কৰে।

০০০০০০

সমাপ্ত